জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩৭/২০২০

# ৰাজ্যখনৰ চৰকাৰী ভূমি অবৈধভাৱে দখল কৰি থকা বিষয় সন্দৰ্ভত এক বিস্তৃত জৰীপ কাৰ্য চলোৱাৰ বাবে ৰাজহ বিভাগক মুখ্যমন্ত্ৰীৰ জৰুৰী নিৰ্দেশনা

### মুখ্য সচিব, ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিবৰ উপস্থিতিত অনুষ্ঠিত হোৱা গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে এই নিৰ্দেশনা

## জিলাসমূহৰ উপায়ুক্তই অগ্ৰাধিকাৰ ভিত্তিত জৰীপ কাৰ্য চলাই ইয়াৰ প্ৰতিবেদন ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগক দাখিল কৰিব

**দিছপুৰ, ৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক সমগ্ৰ ৰাজ্যখনতে থকা চৰকাৰী ভূমিৰ বিস্তৃত জৰীপ কাৰ্য চলোৱাৰ বাবে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে যাতে চৰকাৰী ভূমিৰ বেদখল সম্বন্ধে এক বিস্তাৰিত প্ৰতিচ্ছৱি লাভ কৰিব পৰা যায়।

আজি মুখ্যমন্ত্ৰীৰ খাৰঘুলিস্থিত চৰকাৰী বাসভৱনত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, গৃহ, ৰাজনৈতিক, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দায়িত্ব থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা তথা অন্যান্য শীৰ্ষস্থানীয় বিষয়াৰ উপস্থিতিত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশনা প্ৰদান কৰে।

এই নিৰ্দেশনাৰ ভিত্তিত ৰাজ্যখনৰ ৩৩ খন জিলাৰ উপায়ুক্তসকলক তেওঁলোকৰ সংশ্লিষ্ট জিলাসমূহত থকা চৰকাৰী ভূমিৰ বিস্তৃত জৰীপ কাৰ্য চলোৱাৰ বাবে নিৰ্দেশনা দিয়া হ'ব যাতে কিমান পৰিমাণৰ চৰকাৰী ভূমি সংশ্লিষ্ট জিলাসমূহত অবৈধভাৱে দখল কৰি থকা হৈছে তাৰ বিষয়ে এক উপযুক্ত প্ৰতিচ্ছৱি লাভ কৰিব পৰা যায়। সংশ্লিষ্ট জিলাৰ উপায়ুক্তসকলে এই জৰীপ কাৰ্য অগ্ৰাধিকাৰ ভিত্তিত সম্পন্ন কৰি ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক দাখিল কৰিব যাতে চৰকাৰী ভূমিৰ অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে পৰৱৰ্তী পৰ্যায়ত পদক্ষেপ ল'ব পৰা যায়।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৯/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in